**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-07-2026
**Time :** 9-25 PM

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

০০০০০০০

নিচাযুক্ত দ্ৰব্য নিৰ্মূলৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৰাজ্যজুৰি মাদক দ্ৰব্য ধবংস অভিযান চলোৱা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আজি নলবাৰী দৌলাশালৰ চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ত আয়োজিত কাৰ্যসূচীত ৪৭২ দশমিক ৫-১ কোটি টকা মূল্যৰ মাদক দ্ৰব্য ধবংস কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰোড ৰ'লাৰ চলাই বিপুল পৰিমাণৰ ড্ৰাগছ্ ধবংস কৰাৰ লগতে ৰাজ্যৰ ড্ৰাগছ্ মাফিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

বঙাইগাঁৱতো আজি বীৰঝৰা চাহ বাগিছাৰ সমীপত প্ৰায় ৬ কোটি ৬৩ লাখ ৩৫ হাজাৰ টকা মূল্যৰ নিচাযুক্ত দ্ৰব্য ধবংস কৰা হয়। নিচাযুক্ত দ্ৰব্যখিনিৰ ভিতৰত এহেজাৰ কিলোগ্ৰামতকৈও অধিক গাঞ্জা, প্ৰায় ২৯৫ গ্ৰাম হেৰোইন, ৫ হাজাৰ ৭০টা নিচাযুক্ত টেবলেট আৰু ১৩ কিলোগ্ৰামতকৈও অধিক অ'পিয়াম আছিল।

বৰপেটা জিলা আৰক্ষীৰ উদ্যোগত আজি ৫ কোটি ১৬ লাখ ৩১ হাজাৰ ৮১০ টকা মূল্যৰ নিষিদ্ধ ড্ৰাগছ আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী নষ্ট কৰা হয়।

তামুলপুৰ জিলাত আৰক্ষীৰ উদ্যোগত আজি বৰখাত শ্মশানত বুজন পৰিমাণৰ মাদ্ৰক দ্ৰব্য বিনষ্ট কৰা হয়।

বজালী জিলাৰ বাঘমাৰাত আৰক্ষী আৰু জিলা প্ৰশাসনৰ উদ্যোগত আজি প্ৰায় ১৩ লাখ টকাৰো অধিক মূল্যৰ নিচাজাতীয় সামগ্ৰী ধবংস কৰা হয়।

এই অভিযানৰ অংশ হিচাপে ধেমাজি আৰক্ষীয়ে আজি তুলসীবাৰীস্থিত আৰক্ষী ছাউনীত প্ৰায় ২ কোটি ৪০ লাখ টকা মূল্যৰ মাদক দ্ৰব্য ধবংস কৰে।

মাজুলী জিলাতো কমলাবাৰী অঞ্চলৰ এটা ইটাভাটাত প্ৰায় ৫৫ লাখ টকা মূল্যৰ মাদক দ্ৰব্য জ্বলাই দিয়া হয়।

০০০০০০০

টাকাম মিচিং পৰিণ কেবাং চমুকৈ টি এম পি কেই শিক্ষাৰ প্ৰসাৰ, স্বকীয় ভাষা-সংস্কৃতিৰ সংৰক্ষণ আৰু ন্যায়সংগত অধিকাৰৰ হকে সদায়ে সক্ৰিয় ভূমিকা পালন কৰি যাব বুলি শিক্ষামন্ত্ৰী মন্ত্ৰী ডা০ ৰণোজ পেগুৱে আশা প্ৰকাশ কৰিছে। আজি জোনাইৰ মিচিং কৃষ্টি ভৱনত অনুষ্ঠিত ছাত্ৰ সংগঠনটোৰ ১৭ সংখ্যক সাধাৰণ অধিৱেশনত ভাগ লৈ মন্ত্ৰী ডা০ পেগুৱে এই কথা উল্লেখ কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ডা০ পেগুৱে মিচিং ভাষাৰ শিক্ষক নিযুক্তি আৰু পাৰস্পৰিক বদলি সন্দৰ্ভত এইদৰে কয়।

**বাইট (ডা০ পেগু)**

আজিৰ অনুষ্ঠানত জোনাইৰ বিধায়ক ভূৱন পেগু, ঢকুৱাখনাৰ বিধায়ক নৱকুমাৰ দলে, মাজুলীৰ বিধায়ক ভূৱন গামৰ লগতে টি এম পি কেৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

গুৱাহাটী আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলত আজি বিয়লিৰ ভাগত অহা প্ৰবল বৰষুণৰ ফলত গুৱাহাটী মহানগৰৰ বিভিন্ন অঞ্চলৰ লগতে যোৰাবাটৰ ৯ মাইল, ১০ মাইল আদি অঞ্চলত ভয়ংকৰ কৃত্ৰিম বানৰ সৃষ্টি হয়। কৃত্ৰিম বানৰ ফলত সেই পথছোৱাৰে যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। ফলত মেঘালয় আৰু উজনি অসমলৈ যোৱা বহু বাহন পথতে আৱদ্ধ হৈ পৰিছে।

যোৰাবাটেৰে আহিবলগীয়া সকলো যান-বাহনৰ দিশ সলনি কৰা হৈছে। সেই অনুসৰি গুৱাহাটী অভিমুখে অহা যান-বাহনসমূহ ডিগাৰু হৈ গুৱাহাটীলৈ আৰু গুৱাহাটীৰ পৰা যোৰাবাটৰ দিশে যাবলগীয়া যান-বাহনসমূহ কইনাধৰাৰ পৰা নাৰেঙ্গী হৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

ইফালে বৰষুণৰ ফলত গুৱাহাটীৰ ছয়মাইল, বেলতলা, পাণ্ডু খানাপাৰা, সাতগাঁৱকে ধৰি ভালেমান অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে।

০০০০০০০

অসম সাহিত্য সভাই জুবিন গাৰ্গক মৰণোত্তৰভাৱে **সংগীত সুধাকৰ** সন্মান প্ৰদান কৰিব। আজি গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এই কথা জানিবলৈ দিয়ে। গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অহা ৩০ জুলাইত আয়োজন কৰা এটা অনুষ্ঠানত শিল্পীগৰাকীক মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হ'ব। সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আনুষ্ঠানিকভাৱে জুবিন গাৰ্গক এই সন্মান প্ৰদান কৰিব।

ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া কাইলৈৰ পৰা ধাৰাবাহিকভাৱে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত পুনৰ আৰম্ভ হ'ব। কাইলৈ জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰ আৰু জুবিন গাৰ্গৰ বন্ধু জয়ন্ত কাকতিয়ে আদালতত সাক্ষ্য দান কৰিব। ইফালে এই গোচৰৰ অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন আবেদনৰো কাইলৈ ন্যায়ালয়ৰ মজিয়াত শুনানি হ'ব। আনহাতে ফাষ্ট ট্ৰেক আদালতৰ গোচৰৰ ধাৰা আৰোপৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই অভিযুক্ত সন্দিপন গাৰ্গে উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন আবেদনৰো কাইলৈ শুনানি গ্ৰহণ কৰা হ'ব।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ